**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬১৩/২০১৯**

# বিশিষ্ট শিক্ষাবিদ প্ৰমোদ চক্ৰৱৰ্তীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ ডিচেম্বৰ ঃ** বিশিষ্ট শিক্ষাবিদ, নলবাৰী কলেজৰ প্ৰাক্তন অধ্যক্ষ প্ৰমোদ চক্ৰৱৰ্তীৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত চক্ৰৱৰ্তীয়ে বৃহত্তৰ নলবাৰী অঞ্চলৰ শৈক্ষিক উত্তৰণৰ লগতে ৰাজ্যখনৰ সামগ্ৰিক শৈক্ষিক উত্তৰণৰ দিশত যি বলিষ্ঠ অৰিহণা আগবঢ়াই গ'ল সেয়া বৃহত্তৰ নলবাৰী অঞ্চলৰ লগতে ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তদুপৰি, প্ৰয়াত চক্ৰৱৰ্তীয়ে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰি সংবাদ সেৱাৰ সৈতেও জড়িত থাকি আমাৰ সমাজ উত্তৰণৰ দিশটো অৰদান আগবঢ়াই গৈছে। এই গৰাকী বিশিষ্ট শিক্ষাবিদৰ বিয়োগ আমাৰ সমাজ তথা বৌদ্ধিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত প্ৰমোদ চক্ৰৱৰ্তীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৭/১২/২০১৯**